**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। দেশ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰ দিশে ধাৰমান হৈছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তই সাংবিধানিক প্ৰতিষ্ঠানসমূহে ন্যায়ালয়ৰ ৰায়সমূহ জনসাধাৰণৰ বাবে তেওঁলোকৰ নিজা ভাষাত উপলব্ধ কৰোৱাৰ বাবে কাম কৰা উচিত বুলি প্ৰকাশ কৰিছে।

৪। আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস।

*আৰু*

৫। ভাৰতৰ সাত্বিকছাইৰাজ ৰেনকিৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুঁটীটোৱে বিশ্ব বেডমিণ্টন ট্যুৰ ফাইনেল প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসম ভ্ৰমণৰ দ্বিতীয় দিনা গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৰ জৰিয়তে বছৰি এক কোটি ৩০ লাখ যাত্ৰী অহা যোৱা কৰিব পাৰিব। বাঁহ আৰু কপৌ ফুলক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত অসমৰ লুইতপৰীয়া ৰাইজক অসমীয়া ভাষাৰে সম্ভাষণ জনাই প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৰ্ব বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে আন্তঃগাথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলাৰ দিশতো উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

শ্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰ অসমৰ উন্নয়নৰ বাবে বদ্ধপৰিকৰ। বিগত ১১ বছৰত ৰাজ্যখনত ভালেসংখ্যক বৃহৎ ঐতিহাসিক আন্তঃগাঁথনি প্ৰকল্পৰ কাম আৰম্ভ আৰু সম্পূৰ্ণ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

00000

অসামৰিক সেৱাৰ গুণগত মানে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য পূৰণ আৰু প্ৰশাসকসকলৰ গুণৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ সমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা পালন কৰিব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে প্ৰকাশ কৰিছে। হায়দৰাবাদত কালি বিয়লি ৰাজ্যিক লোক সেৱা আয়োগৰ অধ্যক্ষসকলৰ দুদিনীয়া অভিবৰ্তনৰ সামৰণি অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰী ৰাধাকৃষ্ণনে কয়, যে দেশ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰ দিশে ধাৱমান হৈছে আৰু এই ক্ষেত্ৰত এনে প্ৰতিষ্ঠানসমূহ পৰিচালনা কৰা প্ৰশাসন আৰু জনসাধাৰণৰ মান নিৰ্ণায়ক হ'ব। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰতিভা সেঁতুৰ উদাহৰণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে লোকসেৱা আয়োগসমূহে প্ৰতিভাৰ বাচনিৰ বাবে উদ্ভাৱনমূলক দৃষ্টিভংগীৰ অন্বেষণ কৰা উচিত। তেওঁ জ্ঞান আধাৰিত পৰীক্ষাৰ লগতে আচৰণগত আৰু নৈতিক পৰিপক্কতাৰ স্বচ্ছ আৰু সুসংহত মূল্যায়নৰো পৰামৰ্শ আগবঢ়ায়। উপৰাষ্ট্ৰপতিগৰাকীয়ে আজি পুৱা বিশ্ব ধ্যান দিৱস উপলক্ষে হায়দৰাবাদৰ সমীপৰ কান্‌হা শান্তিবনত এটা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

00000

সাংবিধানিক প্ৰতিষ্ঠানসমূহে সংবিধানৰ ভাবনা অনুযায়ী ন্যায়িক প্ৰক্ৰিয়া আৰু ন্যায়ালয়ৰ ৰায়সমূহ জনসাধাৰণৰ বাবে তেওঁলোকৰ নিজা ভাষাত উপলব্ধ কৰোৱাৰ বাবে কাম কৰা উচিত বুলি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তই প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশৰ ইটাৱাত কালি হিন্দী সেৱা নিধি ন্যাসৰ ৩৩ সংখ্যক বৰ্ষিক অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ভাষা সম্বন্ধীয় সাংবিধানিক ব্যৱস্থাসমূহ সমগ্ৰ দেশত ৰূপায়ণ কৰা হ'ব বুলি আশা কৰা হয়। সাংবিধানিক আৰু আইনী ব্যৱস্থা অনুযায়ী ইংৰাজী সৰ্বোচ্চ ন্যায়ালয়ৰ আনুষ্ঠানিক ভাষা হৈ আছে যদিও ভাষিক ব্যাৱধান দূৰ কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয়, যে সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়সমূহ ১৬ টা ভাষালৈ অনুবাদ কৰাৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু জনসাধাৰণে তেওঁলোকৰ ৰাজ্যৰ ভাষাত এই ৰায়সমূহৰ অনূদিত প্ৰতিলিপি পঢ়িব পাৰিব।

00000

আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস। যোৱা বছৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২১ ডিচেম্বৰৰ দিনটো বিশ্ব ধ্যান দিৱস হিচাপে ঘোষণা কৰিছিল। উত্তৰ গোলাৰ্ধৰ শীতকালীন সময়ৰ সৈতে ৰজিতা খুৱাই এই দিনটো নিৰ্বাচন কৰা হৈছে। কিয়নো ই অৰ্ন্তদৃষ্টি আৰু আভ্যন্তৰীণ শান্তিৰ প্ৰতীক।

ভাৰতৰ আধ্যাত্মিক গুৰু শ্ৰী শ্ৰী ৰবিশংকৰে নিউয়ৰ্কত অৱস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত **বিশ্ব শান্তি আৰু সম্প্ৰীতিৰ বাবে ধ্যান** শীৰ্ষক অনুষ্ঠানৰ নেতৃত্ব দিয়ে। যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনক ধ্যান আৰু যোগৰ সাধনা কৰিবলৈ জনোৱা আহ্বানক স্মৰণ কৰি আধ্যাত্মিক গুৰুগৰাকীয়ে কয়, যে মানুহৰ জীৱনটোও বৰ্তমান এক যুদ্ধক্ষেত্ৰ হৈ পৰিছে। কিয়নো বিভিন্ন চিন্তাই বৰ্তমান মানুহক উদ্বিগ্ন কৰি ৰাখে। শ্ৰীকৃষ্ণই দিয়া এই পৰামৰ্শক উদাহৰণ হিচাপে লৈ আধ্যাত্মিক গুৰুগৰাকীয়ে কয়, যে ইউক্ৰেইনৰ যুদ্ধত আঠ হাজাৰ সৈনিকে অন্ধকাৰ আৰু হতাশাৰ মাজেৰে যুঁজ কৰি আছিল যদিও ধ্যানে তেওঁলোকৰ মনত শান্তি দিছিল।

বিশ্বত শান্তি স্থাপনৰ উদ্দেশ্যে আয়োজন কৰা এই ধ্যান কাৰ্যসূচীৰ বিভিন্ন দেশত কূটনীতিবিদ, ৰাষ্ট্ৰসংঘৰ বিষয়ববীয়া আৰু যোগ নেতাসকলে অংশগ্ৰহণ কৰে। যোৱা বছৰ ২১ ডিচেম্বৰত বিশ্ব ধ্যান দিৱস হিচাপে ৰাষ্ট্ৰসংঘই ঘোষণা কৰিছিল আৰু ভাৰতকে ধৰি এন্দোৰা, মেক্সিকো, নেপাল আৰু শ্ৰীলংকাই এই দিৱস উদযাপন কৰিছে।

০০০০০

কোনো ধৰ্ম বা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণাসূচক মন্তব্য বা অস্থিৰতাৰ সৃষ্টি কৰা কাৰ্য প্ৰতিৰোধৰ বাবে তেলেংগানা চৰকাৰে এখন নতুন আইন প্ৰৱৰ্তন কৰিব। তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱনাথ ৰেড্ডীয়ে কালি এই ঘোষণা কৰে। বাজেট অধিৱেশনৰ সময়তে এই প্ৰস্তাৱিত বিধেয়কখন উত্থাপন কৰা হ'ব। হায়দৰাবাদত কালি সন্ধিয়া আয়োজিত প্ৰাক-বৰদিনৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ধৰ্মীয় ঘৃণা আতৰোৱাৰ বাবে এই আইনখনত গুৰুত্ব দিয়া হ'ব। তেওঁ লগতে কয়, যে অন্য ধৰ্মৰ লোকক অত্যাচাৰ কৰিলেও এই আইনৰ জৰিয়তে শাস্তি বিহা হ'ব। ৰাজ্য চৰকাৰে সকলো ধৰ্ম আৰু সম্প্ৰদায়ৰ লোকক সমান দৃষ্টিৰে চোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সকলোৰে নিজৰ নিজৰ ধৰ্মীয় বিশ্বাস অনুশীলন কৰাৰ স্বাধীনতাৰ লগতে অন্য ধৰ্মৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰতো সমানে দায়িত্ব আছে।

০০০০০

বিকশিত ভাৰত নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান গ্ৰামীণ বিধেয়কখনে কেৱল কৃষক আৰু শ্ৰমিকসকলকে যে উপকৃত কৰিব এনে নহয়, বৰং গাঁওসমূহৰ সকলো দিশৰ উন্নয়নকে ই সংযুক্ত কৰিব। নতুন দিল্লীত কালি অনুষ্ঠিত চৌধৰী চৰনসিং সন্মান ২০২৫- অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে, এটা স্থিতিস্থাপক ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে ২০২৬-২৭ বৰ্ষৰ বাজেটত কৃষি খণ্ডৰ বিভিন্ন দিশ সামৰি মন্ত্ৰালয়ে জনসাধাৰণৰ পৰা দিহা-পৰামৰ্শৰ আহ্বান কৰিছে। এই আঁচনি ফলপ্ৰসূ কৰি তুলিবলৈ কৃষক, বিশেষজ্ঞ আৰু কৃষি বিজ্ঞানীসকলক একগোট কৰি অনুষ্ঠিত কৰা চিন্তন শিবিৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

০০০০০

চীনৰ হাংজোত অনুষ্ঠিত বিশ্ব বেডমিণ্টন ট্যুৰ ফাইনেল ২০২৫ত ভাৰতৰ সাত্বিকছাইৰাজ ৰেনকিৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটিটোৱে ব্ৰঞ্জৰ পদক লাভ কৰিছে। তেওঁলোকে চীনা যুটী লিয়ান উই কেং আৰু ৱাং চাঙক চেমিফাইনেলত ১০-২১, ২১-১৭, ২১-১৩ গেমত পৰাজিত কৰে। এই প্ৰতিযোগিতাত ভাৰতীয় শ্বাটলাৰে দ্বিতীয়বাৰৰ বাবে পদক লাভ কৰিছে। ইয়াৰ পূৰ্বে ২০১৮ চনত পি ভি সিন্ধুৱে মহিলাৰ একক শাখাত খিতাপ দখল কৰি সোণৰ পদক লাভ কৰিছিল।

০০০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। আয়ুষ মহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে নৰমবাৰৰ বাবে খিতাপ দখলৰ অভিপ্ৰায়েৰে আজি খেলত অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে গ্ৰুপ পৰ্যায়ত ভাৰতে পাকিস্তানক পৰাজিত কৰিছে।

০০০০০

সমাপ্ত